**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১।  ৰাজ্যজুৰি ভোগৰ উৎসৱ ভোগালীৰ উছাহ। কাইলৈ উৰুকা।
২।  কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিচৰা ৰাজ্যৰ ৫১২ গৰাকী শিক্ষাৰ্থীৰ বাবে ৰাজভৱনৰ পৰা প্ৰশিক্ষণৰ ব্যৱস্থা।
৩।  ফ্ৰান্সত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত কাইলৈ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক আনুষ্ঠানিকভাৱে স্বীকৃতিপত্ৰ প্ৰদান।
৪।  বড়ো সাহিত্য সভাৰ বড়ো ভাষাত বিশ্বকোষ প্ৰকাশৰ পৰিকল্পনা।  *আৰু*
৫।  বিচিচিআইৰ ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া দল ঘোষণা।

oooooo

ভোগৰ উৎসৱ ভোগালী বিহুলৈ মাজত মাথো আজিৰ দিনটো থকা অৱস্থাত ৰাজ্যজুৰি এতিয়া ভোগালীৰ উছাহ পৰিলক্ষিত হৈছে।  কাইলৈ উৰুকা। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ ৰাজ্যবাসীক মিলাপ্ৰীতিৰে ভোগালী উৎসৱ পালন কৰিবলৈ আহ্বান জনাইছে। কালি গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ত অনুষ্ঠিত এখন ভোগালী মেলাত উপস্থিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিখন বিপণী পৰিদৰ্শন কৰি দৈ, ক্ৰীম, গুৰ, লাডু-পিঠা আদিৰ সোৱাদ লয়। ভোগালী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৰাজহুৱা স্থান আৰু পথাৰত ভিন ভিন আৰ্হিৰে ভেলাঘৰ আৰু মেজি প্ৰস্তুত কৰি তোলা হৈছে। গ্ৰামাঞ্চলত ঘৰে ঘৰে ঢেঁকীৰ শব্দই বিহুৰ পৰিৱেশৰ সৃষ্টি কৰিছে। গাঁৱে গাঁৱে জীয়ৰী-বোৱাৰীসকল পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ সমান্তৰালকৈ বজাৰ-সমাৰতো ভিৰ হোৱা দেখা  গৈছে। ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত বিভিন্ন জিলাত ভোগালী মেলাৰ আয়োজন কৰা হৈছে। এই ভোগালী মেলাসমূহত বিভিন্ন আত্মসহায়ক গোটৰ লগতে স্থানীয় মহিলাসকলে পিঠা-পনা, বস্ত্ৰ আদি লৈ অংশ গ্ৰহণ কৰিছে। মেলাৰ লগত সংগতি ৰাখি মহিলাসকলৰ মাজত থলুৱা খেল-ধেমালিৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে।

oooooo

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ বিচৰা ৰাজ্যৰ ৫১২ গৰাকী শিক্ষাৰ্থীৰ বাবে ৰাজভৱনৰ পৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ভোগালী বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জনাই কালি এই কথা প্ৰকাশ কৰে। ৰাজভৱনত কালি আয়োজন কৰা প্ৰাক ভোগালী উৎসৱত সংবাদ মাধ্যমৰ লোকসকলৰ সৈতে মত বিনিময় কৰি ৰাজ্যপালগৰাকীয়ে এই কথা প্ৰকাশ কৰে। ৰাজ্যৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ একাংশ সম্পাদক আৰু সাংবাদিকক আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰা এই প্ৰাক ভোগালী

উৎসৱত তেওঁ লগতে কয়, যে প্ৰশিক্ষণ গ্ৰহণ কৰিবলগীয়া ৫১২ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৫০০ গৰাকীক অনলাইন ব্যৱস্থাৰে আৰু আন ১২ গৰাকীক অফলাইন ব্যৱস্থাৰে প্ৰশিক্ষণ প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। এই শিক্ষাৰ্থীসকলে যাতে লোকসেৱা আয়োগৰ প্ৰাৰম্ভিক আৰু মূল পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে, তাৰ বাবে ৰাজভৱনৰ বিভিন্ন সুবিধা দিয়া হ'ব বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

দিব্যাংগ ব্যক্তিসকলৰ লগতে কলা আৰু সাংস্কৃতিক কৰ্মী, সামাজিক কৰ্মী, সাহিত্যিক আদি বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিক উৎসাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি উল্লেখ কৰি ৰাজ্যপাল আচাৰ্যই লগতে কয়, যে এনে ব্যক্তিক সম্বৰ্ধনা আৰু বঁটা প্ৰদান কৰাৰো ব্যৱস্থা লোৱা হৈছে। পলাশবাৰীৰ এগৰাকী ৯৪ বছৰ বয়সীয়া কৃতি শিক্ষকক ৰাজভৱনলৈ আমন্ত্ৰণ কৰাৰ পৰিৱৰ্তে তেওঁৰ ঘৰলৈ গৈ সম্বৰ্ধনা জনোৱা হৈছে বুলিও ৰাজ্যপালগৰাকীয়ে লগতে প্ৰকাশ কৰে।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ পৰম্পৰাৰে অসমৰ ৰাইজে বিভিন্ন উৎসৱক আদৰ কৰাৰ দৰে প্ৰসংগত তেওঁ মাজুলীকে ধৰি ৰাজ্যবাসীৰ শলাগ লয়। ৰাইজৰ সন্মুখত গাব পৰাকৈ নিজে জাতীয় সংগীত শিকি থকা বুলিও ৰাজ্যপালগৰাকীয়ে লগতে প্ৰকাশ কৰে।

০০০০০০

১৬ জানুৱাৰীত মৰিগাঁৱত পোনপ্ৰথমবাৰৰ বাবে অসম মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হ'ব। ৰাজ্যৰ জনসংযোগ, সংসদীয় পৰিক্ৰমা, জলসম্পদ আদি বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাই কালি মৰিগাঁও ভ্ৰমণৰ সময়ত এইকথা প্ৰকাশ কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, মৰিগাওঁৰ বিধায়ক ৰমাকান্ত দেউৰী আৰু আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসৰ সৈতে মন্ত্ৰীসভাৰ বৈঠকৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰি শ্ৰীহাজৰিকাই কয়, যে বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, জোনবিল মেলাত উপস্থিত হ'ব আৰু তিৱা ৰজাসকলক ৰাজভাট্টা প্ৰদান কৰিব। তেওঁ লগতে জাগীৰোডত নিৰ্মীয়মান চেমিকনডাক্টৰ প্ৰকল্প আৰু দৰং আৰু ভূৰাগাঁৱৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হ'বলগীয়া দলংস্থলী পৰিদৰ্শন কৰিব।

০০০০০০

ফ্ৰান্সত থকা ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত কাইলৈ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামক স্বীকৃতিপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকী এই সন্মান গ্ৰহণৰ বাবে ইতিমধ্যে ফ্ৰান্সলৈ ৰাওনা হৈছে। উল্লেখযোগ্য যে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন সাংস্কৃতিক ঐতিহ্যক্ষেত্ৰ হিচাপে চৰাইদেউয়ে ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰূপে স্বীকৃতি লাভ কৰিছে। এই স্বীকৃতি লাভৰ ক্ষেত্ৰত গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত অহা ১৬ৰ পৰা ১৮ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে এতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। মেলা সমিতিয়ে ইয়াৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। ১৬ তাৰিখৰ পুৱাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ১৭ জানুৱাৰীৰ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। ইয়াৰ পাছতে

জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ'ব। ইয়াৰ লগতে বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০০

উত্তৰ প্ৰদেশত আজিৰে পৰা হ'বলগীয়া মহা কুম্ভমেলাত অসমকে ধৰি উত্তৰপূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা সত্ৰাধিকাৰ আৰু পুৰোহিতসকলে প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰিব। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে অনান্য ৰাজ্যৰ লগতে উত্তৰপূবৰ ৰাজ্য কেইখনক এই মেলালৈ আমন্ত্ৰণ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এই ৰাজ্যসমূহৰ পুৰোহিতসকলক ৰাজ্যিক অতিথিৰ মৰ্যাদা দিয়া হ'ব বুলিও ঘোষণা কৰিছে। মাজুলি দক্ষিণপাত সত্ৰ, গড়মূৰ সত্ৰকে ধৰি কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰসকল এই মেলাত উপস্থিত থাকিব। ২১ জানুৱাৰীত বজালিৰ এটা দলে ঐতিহ্যমণ্ডিত দেৱদাসী নৃত্যৰ প্ৰদৰ্শন কৰিব। একেদৰে, ত্ৰিপুৰা আৰু অন্য ৰাজ্যৰ পুৰোহিতো এই অনুষ্ঠানত উপস্থিত থাকিব। তেওঁলোকে মেলাৰ অংশ হিচাপ হ'বলগীয়া ৰাজকীয় স্নানটো অংশ ল'ব। এই উপলক্ষে বিভিন্ন ধৰ্মীয় অনুষ্ঠান আৰু ভাগৱত কথাৰো আয়োজন কৰা হৈছে।

০০০০০০

আকাশবাণীৰ বাতৰিয়ে সাম্প্ৰতিক সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি  নিজৰ মান বৰ্তাই ৰাখি আগবাঢ়ি যাব লাগিব। কালি দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ড° শাশ্বতী গোস্বামীয়ে এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে পৰিৱৰ্তিত সময়ৰ লগত খাপ খোৱাকৈ পৰিবেশনশৈলীৰ কিছু ৰূপান্তৰ সাধন কৰি আৰু ভাষাৰ শুদ্ধতা যথাসম্ভৱ অক্ষুন্ন ৰাখি বাতৰি পৰিবেশকসকলে আকাশবাণীৰ বাবে বাতৰি পৰিবেশন কৰিব লাগিব। এই সন্দৰ্ভত তেওঁ এইদৰে কয়–

**(বাইট ঃ ড° শাশ্বতী গোস্বামী)**

কালিৰ অনুষ্ঠানত বিশিষ্ট বিজ্ঞানী ড০ দিনেশ চন্দ্ৰ  গোস্বামীকে ধৰি কেইবাগৰাকী শ্ৰোতাই শব্দৰ উচ্চাৰণ আৰু  বাক্যৰ গাথনিৰ কেতবোৰ ত্ৰুটিও আঙুলিয়াই দিয়ে। আন কেইবাগৰাকীও শ্ৰোতাই আকাশবাণীৰ দৃষ্টিপাত, সংবাদ চলন্তিকাকে ধৰি কেইবাটাও অনুষ্ঠান শুনি ভাল পোৱা বুলি প্ৰকাশ কৰে।

০০০০০০

বড়ো সাহিত্য সভাৰ বড়ো ভাষাত এখন বিশ্বকোষ প্ৰকাশৰ পৰিকল্পনা কৰিছে। ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ কালি তৃতীয় দিনা পতাকা উত্তোলন কৰি দিয়া ভাষণত সভাপতি ড০ সুৰথ নাৰ্জাৰীয়ে এই কথা প্ৰকাশ কৰে। বড়ো ভাষাৰ উত্তৰণৰ বাবে তথা নৱ প্ৰজন্মই ভাষাটো শুদ্ধৰূপত চৰ্চা কৰিব পৰাকৈ চাৰিটা ভাষাৰ পূৰ্ণাংগ অভিধান এখন ইতিমধ্যে প্ৰণয়ন কৰি প্ৰকাশ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। অধিৱেশনৰ অংশ হিচাপে বড়ো সাহিত্য সভাৰ প্ৰয়াত কাণ্ডাৰীসকলক স্মৰণ কৰি কালি আয়োজন কৰা শ্ৰদ্ধাঞ্জলি তৰ্পণৰ লগতে সম্বৰ্ধনা আৰু শিল্পী সাহিত্যিকক বঁটা প্ৰদান অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মা, প্ৰাক্তন উপ-সভাপতি মৃণালিনি দেৱী, ডিমাচা সাহিত্য সভাৰ সভাপতি আলো নুনিছা থাউছেন, গাৰো সাহিত্য সভাৰ প্ৰধান সম্পাদক জনকেৰি ছাংমা আৰু মিছিং সাহিত্য সভাৰ প্ৰধান সম্পাদক সুমেশ্বৰ পকটাককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

আজি অন্তিম দিনাৰ কাৰ্যসূচীত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া মুকলি অধিৱেশনত অসম বিধানসভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মেঘালয় আৰু ছিকিমৰ মুখ্যমন্ত্ৰীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাগ ল'ব। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এই মুকলি সবা উদ্বোধন কৰিব। আজিৰ মুকলি অধিৱেশনৰ কাৰ্যসূচী আকাশবাণী গুৱাহাটী কেন্দ্ৰই কোকৰাঝাৰ কেন্দ্ৰৰ সহযোগত দিনৰ ১২ বজাৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

০০০০০০

কৃষি কাৰ্য সামৰি অসমীয়া সাজু হৈছে ভোগালী বিহু উদযাপনলৈ। কাইলৈ ভোগালীৰ উৰুকা। ৰাজ্যজুৰি বজাৰসমূহত এতিয়া ভোগালীৰ উছাহ। বিভিন্ন সামগ্ৰীৰে ভৰিছে বজাৰ। ভোগালীৰ উৰুকাৰ উছাহৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আমাৰ অসমত **মনত ভোগালী বজাৰত কঙালী** শিৰোনামেৰে ভোগালীৰ বাতৰিক মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। নিয়মীয়া বাৰ্তাতো এই বাতৰিক **ভোগালীৰ ভোগেৰে ভৰিছে বজাৰ, ৰাজ্যজুৰি ব্যস্ততা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিয়া হৈছে।

বিধানসভা নিৰ্বাচনক লৈ বিজেপিৰ তৎপৰতা সন্দৰ্ভত বিশ্লেষণেৰে অসমীয়া প্ৰতিদিনত **২৬'ত বিজেপিৰ লক্ষ্য মুছলমান ভোটাৰ** শিৰোনামেৰে মুখ্য বাতৰি পৰিৱেশন কৰা হৈছে। কাকতখনত কৰ্মচাৰীৰ চিকিৎসা বীমা অহা বিত্তীয় বৰ্ষৰ পৰা হ'ব নগদবিহীন আৰু ১৩ জানুৱাৰীত চৰাইদেউ মৈদামক ইউনেস্কোৱে প্ৰদান কৰিব বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতিপত্ৰ শীৰ্ষক আন দুটা গুৰুত্বপূৰ্ণ বাতৰি পৰিৱেশিত হৈছে।

মাঘ বিহুৰ পূৰ্বে সদৌ অসম কৰ্মচাৰী পৰিষদৰ সৈতে হোৱা আলোচনাত মুখ্যমন্ত্ৰীয়ে কেইবাটাও বিষয়ত কৰ্মচাৰীসকলৰ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিয়ে। এই বাতৰিক দৈনিক জনমভূমিত **ভোগালীৰ প্ৰাক্‌ক্ষণত কৰ্মচাৰীলৈ আশাৰ বাৰ্তা** শিৰোনামেৰে মুখ্য বাতৰি পৰিৱেশন কৰা হৈছে। কাকতখনত **স্থায়ী মুৰব্বী অবিহনে চলিছে ৰাজ্যৰ ৮০ শতাংশ বিদ্যালয়** শিৰোনামেৰে এটা গুৰুত্বপূৰ্ণ বাতৰিকো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

চুবুৰীয়া দেশ চীনত আতংকৰ সৃষ্টি কৰা এবিধ বিশেষ ভাইৰাছৰ উপস্থিতি সম্প্ৰতি অসমতো পোৱা গৈছে। লখিমপুৰৰ এটি দহ মহীয়া শিশুৰ দেহত এই ভাইৰাছ পোৱা বুলি দাবী কৰা হৈছে। বাতৰিটোক **অসমতো HMPV** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি পৰিৱেশন কৰিছে নিয়মীয়া বাৰ্তাই। কাকতখনৰ আন এটা গুৰুত্বপূৰ্ণ বাতৰি হৈছে **পৃথিৱীৰ ইতিহাসত সবাতোকৈ উষ্ণ বছৰ ২০২৪।** বাতৰিটোত কপাৰনিকাছ জলবায়ু পৰিৱৰ্তন সেৱাৰ প্ৰতিবেদনৰ উদ্ধৃতিৰে কোৱা হৈছে যে **বিগত বছৰত পৃথিৱীৰ উষ্ণতা ১ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ বৃদ্ধি হৈছে**।

ডিমা হাচাও জিলাৰ উমৰাংছ'ত সংঘটিত খনি দুৰ্ঘটনাস্থলীত অব্যাহত আছে উদ্ধাৰ অভিযান। এই বাতৰিক দৈনিক অগ্ৰদূতত **উমৰাংছ'ৰ অবৈধ খনিত উদ্ধাৰ তিনি মৃতদেহ আৰু** দি আছাম ট্ৰিবিউনত **COAL MINE TRAGEDY : 3 MORE BODIES FOUND** শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। বাতৰিটো আন কাকতকেইখনেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দা ছেণ্টিনেলৰ আজিৰ মুখ্য বাতৰিৰ শিৰোনাম **SOP For Zero Premium Insurance to Government Employees Issued**।

ডিমাকুছিত আৰম্ভ হোৱা বড়ো সাহিত্য সভাৰ অধিৱেশনৰ বাতৰিক দৈনিক জনমভূমি আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে পৰিৱেশন কৰিছে।

আজিৰ উল্লেখযোগ্য অন্যান্য বাতৰিৰ ভিতৰত আছে- বনজুইত দাউ দাউকৈ জ্বলিছে হলীউদৰ মহা তাৰকাৰ প্ৰাসাদ, ১৬ জানুৱাৰীত মৰিগাঁৱত কেবিনেট বৈঠক ইত্যাদি।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাঁও।

০০০০০০

ডিব্ৰুগড়ৰ টেঙাখাতৰ লাঙি গদাপানী ক্ষেত্ৰত অহা ২১ জানুৱাৰীৰ পৰা ২৭ জানুৱাৰীলৈ টাই সাংস্কৃতিক সন্মিলন অনুষ্ঠিত হ'ব। এই সন্মিলনত কেইবাখনো দেশৰ প্ৰতিনিধিয়ে ভাগ ল'ব। অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰী চৌনা মিনিয়ে অনুষ্ঠানৰ শুভাৰম্ভ কৰিব। বিশ্বৰ বিভিন্ন স্থানত থকা টাই জনগোষ্ঠীৰ লোকসকলৰ মাজত সংস্কৃতিৰ আদান-প্ৰদান কৰাই হৈছে এই সন্মিলনৰ উদ্দেশ। সন্মিলনৰ সৈতে সংগতি ৰাখি বিভিন্ন জনগোষ্ঠীয় বস্ত্ৰ আৰু সা-সম্পদৰ প্ৰদৰ্শনী মেলা, বৌদ্ধিক আৰু আধ্যাত্মিক আলোচনা, সাংস্কৃতিক কাৰ্যসূচী, শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। এইবাৰ তৃতীয়বাৰলৈ এই সন্মিলনৰ আয়োজন কৰা হৈছে।

০০০০০০

নগাঁও জিলাৰ পুৰণিগুদামৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৫ সংখ্যক জয়ন্তী আৰু শতবৰ্ষৰ শুভাৰম্ভণি অনুষ্ঠানত কালি মুঠ ৯৫ খন পতাকা উত্তোলন কৰা হয়। শিক্ষক-সাহিত্যিক ফনীন্দ্ৰ নাথ গায়ন আৰু শিক্ষক তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ বিপুল চন্দ্ৰ মজুমদাৰে শতবৰ্ষৰ আৰম্ভণিৰ দুখন মূল পতাকা উত্তোলন কৰে। সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা কালিৰ অনুষ্ঠানত শ্ৰদ্ধাঞ্জলি তৰ্পণ আৰু গুৰু পূজনৰ লগতে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বিচিচিআইয়ে ইংলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া ৫ খনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ বাবে ১৫ জনীয়া দল ঘোষণা কৰিছে। সেই অনুসাৰে সূৰ্য্য কুমাৰ যাদৱক অধিনায়ক আৰু অক্ষৰ পেটেলক উপ অধিনায়কৰ দায়িত্ব অৰ্পন কৰা হৈছে। মহম্মদ স্বামীৰ এবছৰৰ অধিক কালৰ পাছত ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তন কৰিছে। দলৰ বাকী খেলুৱৈসকলৰ ভিতৰত সঞ্জু চেমচন, অভিষেক শৰ্মা, তিলক বাৰ্মা, হাৰ্দিক পাণ্ডিয়া, ৰিংকু সিং, নিতিশ কুমাৰ ৰেড্ডী, হৰষিত ৰাণা, অৰ্শদীপ সিং, বৰুণ চক্ৰৱৰ্তী, ৰবি বিষ্ণ'ই, ৱাছিংটন সুন্দৰ, ধ্ৰুৱ জুৰেল আছে। কলকাতাত ২২ জানুৱাৰীত শৃংখলাৰ প্ৰথমখন খেল অনুষ্ঠিত হ'ব।

টি-২০ৰ পাছত দুয়োটা দলৰ মাজত তিনিখনীয়া এদিনীয়া শৃংখলাও অনুষ্ঠিত হ'ব। এই শৃংখলাক ১৯ ফেব্ৰুৱাৰীত আৰম্ভ হ'বলগীয়া চেম্পিয়নছ্ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰস্তুতি বুলি গণ্য কৰা হৈছে। বি চি চি আয়ে এদিনীয়া শৃংখলা আৰু চেম্পিয়নছ্ ট্ৰফী প্ৰতিযোগিতাৰ বাবে পাছত দল ঘোষণা কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ৪৫ মিনিটত ইয়াৰ সাপ্তাহিক সংবাদ চলন্তিকা অনুষ্ঠানত **ভোগালীৰ উৰুকাত অসমবাসীয়ে থলুৱা মাছৰ সোৱাদ ল'ব পাৰিবনে**? শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ইয়াত ৰাজ্যখনৰ কেইবাগৰাকীও বিশিষ্ট মীন পালক আৰু আমাৰ সংবাদদাতাসকলে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

বতৰৰ বতৰা– ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু মণিপুৰৰ ঠায়ে ঠায়ে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব বুলি আগলি বতৰা জাৰি কৰিছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত পুৱা কুঁৱলী পৰাৰ পাছত দিনত বতৰ ফৰকাল হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১০ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

সমাপ্ত